জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬৪/২০২০

# ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে হাইলাকান্দি জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## চ'ছিয়েল মিডিয়াৰ জৰিয়তে আপত্তিজনক মন্তব্য প্ৰচাৰ কৰা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি হাইলাকান্দিস্থিত সন্তোষ মোহন ৰয় অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি ইয়াৰ আছুতীয়া কক্ষকে ধৰি বিভিন্ন ব্যৱস্থাৱলীৰ বুজ লোৱাৰ লগতে কৰ্তব্যৰত চিকিৎসক আৰু নাৰ্চৰ সৈতেও মত-বিনিময় কৰে।

ইয়াৰ পিছতে হাইলাকান্দি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত এক বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ দিশত লোৱা বিভিন্ন ব্যৱস্থাৱলীৰো পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত সকলোকে ঐক্যবদ্ধভাৱে কৰ্তব্যত অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়। এই সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ভাইৰাছে কোনো ধৰ্ম, কোনো ভৌগোলিক এলেকা, কোনো জাতি-বৰ্ণ নামানি সকলোকে আক্ৰান্ত কৰে। সেয়েহে এই বৃহৎ প্ৰত্যাহ্বান প্ৰতিহত কৰাৰ বাবে সকলোৱে ঐক্যবদ্ধভাৱে যুঁজত অৱতীৰ্ণ হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যিহেতুকে এই ভাইৰাছৰ এতিয়ালৈকে কোনো প্ৰতিষেধক ওলোৱা নাই সেয়েহে আমি সামাজিক দূৰত্ব মানি চলাৰ দিশত অত্যন্ত সচেষ্ট হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক অবিৰত বিদ্যুৎ যোগানকে ধৰি সকলো ধৰণৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ সেৱা অবিৰতভাৱে চলাই যোৱাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে চ'ছিয়েল মিডিয়াৰ জৰিয়তে আপত্তিজনক প্ৰচাৰ কৰা লোকৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ বাবেও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে সকীয়াই দিয়ে যে চৰকাৰে চ'ছিয়েল মিডিয়াৰ জৰিয়তে আপত্তিজনক মন্তব্য প্ৰচাৰ কৰা বিষয়টো কেতিয়াও সহ্য নকৰে আৰু এই দিশত কঠোৰ ব্যৱস্থা লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে এই জটিল পৰিস্থিতিত জিলাখনৰ অতি দুখীয়া পৰিয়াল সমূহকো সকাহ দিয়াৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। ৰেচন কাৰ্ড নথকা পৰিয়াললৈ ১ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে যি পদক্ষেপ লৈছে ইয়াৰ বাবে প্ৰকৃত হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিয়ন্ত্ৰণ কক্ষ অহৰ্নিশে কাৰ্যক্ষম কৰি ৰখাৰ বাবেও প্ৰশাসনক নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ সৈতে মোকাবিলা কৰাৰ দিশত নাৰ্চকে ধৰি ফ্ৰন্টলাইনৰ কৰ্মচাৰীসকলক উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবেও স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। জিলা প্ৰশাসনে ইতিমধ্যে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে ক'ৰণা ভাইৰাছৰ দৰে বীজাণু সংক্ৰমণ হ্ৰাস কৰাৰ বাবে জিলাখনৰ বজাৰ, বাট-পথ ইত্যাদি চেনিটাইজেশ্যনৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কোনো অসাধু ব্যৱসায়ীয়ে যাতে লক ডাউনৰ সময়ছোৱাত ক'লা বজাৰ তথা কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে বিহীত পদক্ষেপ গ্ৰহণৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। বৈঠকত জিলা উপায়ুক্ত কীৰ্তি জেল্লি আৰু আৰক্ষী অধীক্ষক পবীন্দ্ৰ কুমাৰ

নাথে জিলাখনক ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধ কল্পে গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কেও মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত পৰিৱেশ আৰু বন, আবকাৰী বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ কৃপানাথ মাল্লা, ডাঃ ৰাজদ্বীপ ৰয়, বিধায়ক সকল ক্ৰমে আনোৱাৰ হুছেইন লস্কৰ, নিজামুদ্দিন চৌধুৰী, প্ৰাক্তন মন্ত্ৰী গৌতম ৰয়কে ধৰি বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমান সময়ত অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ আৰু  পাহাৰ-ভৈয়ামৰ সকলো শ্ৰেণীৰ ৰাইজে জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে মিলিত প্ৰচেষ্টাৰে ক'ৰণা ভাইৰাছৰ বিৰুদ্ধে যুদ্ধত মিলিত হৈছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা ২১ দিনীয়া লক ডাউন কাৰ্যসূচী সফল কৰাৰ বাবে অসমৰ ৩৩ খন জিলাৰ ৰাইজে শৃংখলাবদ্ধ তথা ঐক্যবদ্ধভাৱে  যুঁজ দিছে। নিজৰ পৰিয়ালৰ সৈতে ঘৰৰ ভিতৰতে নিজকে আবদ্ধ কৰি ৰাখি পৰিস্কাৰ কৈ থাকি সামাজিক দূৰত্ব বজাই ৰাখিছে। তাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসমৰ সকলো শ্ৰেণীৰ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। এই সময়ছোৱাত সাংবাদিক সকলেও দিনে-নিশাই কৰ্তব্যত অৱতীৰ্ণ হৈ ৰাইজৰ সেৱাত উৎসৰ্গিত মনোভাৱেৰে কাম কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসমৰ অন্যান্য জিলাৰ লগতে হাইলাকান্দি জিলাত জিলা প্ৰশাসনে ইয়াৰ স্থানীয় জনপ্ৰতিনিধি সকলৰ সহযোগত বিশেষকৈ জিলাখনৰ দায়িত্ব থকা মন্ত্ৰী, সাংসদ, বিধায়ক সকলে জিলা প্ৰশাসনক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই আছে আৰু জিলা প্ৰশাসনেও হাইলাকান্দিৰ ৰাইজক অত্যাৱশ্যকীয় সামগ্ৰী আৰু জৰুৰীকালীন সেৱা সমূহ দৃঢ়তাৰে আগবঢ়াই আছে। জনসাধাৰণৰ যাতে কোনো ক্ষেত্ৰতে অসুবিধা নহয় তাৰ বাবে জিলা প্ৰশাসনে যৎপৰোনাস্তি পদক্ষেপ গ্ৰহণ কৰিছে। ক'ৰণা ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে সম্ভৱপৰ সকলোবোৰ পদক্ষেপে লৈছে। আছুতীয়া কক্ষ, কুৱাৰেন্টটাইন ইত্যাদিকে ধৰি সকলোবোৰ ব্যৱস্থা স্বাস্থ্য বিভাগে গঢ়ি তুলিছে। ইয়াৰ ফলশ্ৰুতিতে জনসাধাৰণ আস্বস্ত হ'ব পাৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি খাদ্য আৰু অসামৰিক যোগান, জনস্বাস্থ্য কাৰিকৰী, শক্তি বিভাগ, পৰিবহন বিভাগ ইত্যাদি বিভিন্ন বিভাগৰ সহযোগিতাৰে হাইলাকান্দি অসামৰিক প্ৰশাসন তথা আৰক্ষী প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে।

**ছঃনিঃ / পুঃডেঃ / বঃভাঃ**
**৮/৪/২০২০**